**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 18**-08-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::::::::::::::::::::::

১। নতুন দিল্লীত অনুষ্ঠিত এপেক্স মণিটৰিং অথৰিটিৰ এখন বৈঠকত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে উদ্যোগীক কৰিড'ৰৰ বিকাশত গুৰুত্ব প্ৰদান কৰে।

২। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে চেক পইণ্ট ছফটৱেৰৰ মুখ্য কাৰ্যবাহী বিষয়া নাডভ জাফ্ৰিৰৰ সৈতে বৈঠকত মিলিত হয়।

৩। গুজৰাটৰ গান্ধী নগৰত কাইলৈৰ পৰা দুদিনীয়া ব্ৰীকছ্ যুৱ পৰিষদৰ বৈঠক আৰু ব্ৰীক যুৱ সন্মিলন অনুষ্ঠিত হ'ব।

৪। ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত কালি তৃতীয় দিনা শ্ৰীলংকাই প্ৰথম ইনিংছত আটাইকেইটা উইকেটৰ বিনিময়ত ২৮৪ ৰান সংগ্ৰহ কৰে।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে ছিলং লাজঙক ৫-২ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

প্ৰকল্পৰ অনুমোদন দিয়াতকৈও সময়মতে আন্তঃগাঁথনি সম্পূৰ্ণকৰণ, ভূমিৰ অনুমোদন, বিনিয়োগ আৰু উৎপাদন নিশ্চিত কৰাটো গুৰুত্বপূৰ্ণ। কালি নতুন দিল্লীত অনুষ্ঠিত এপেক্স মণিটৰিং অথৰিটিৰ এখন বৈঠকত অধ্যক্ষতা কৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে এইদৰে কয়। এই বৈঠকতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ঔদ্যোগীক কৰিড'ৰসমূহক উৎপাদনৰ সম্প্ৰসাৰণ আৰু গোলকীয় প্ৰতিযোগিতামূলক ঔদ্যোগীক পৰিস্থিতি তন্ত্ৰৰ বাবে গুৰুত্বপূৰ্ণ বিষয় বুলি উত্থাপন কৰি কয়, যে এই কৰিড'ৰসমূহ ভাৰত চৰকাৰৰ বাবে অতি প্ৰয়োজনীয়। তেওঁ কয়, যে ঔদ্যোগীক কৰিড'ৰসমূহে ভাৰতৰ উদ্যমিতাৰ গতিক প্ৰতিনিধিত্ব কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ গতিশক্তি পদক্ষেপক গুৰুত্ব দি সংহত পৰিকল্পনা আৰু বিনিয়োগ সহায়ক ভূমি অনুমোদন প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে দ্ৰুত, সময় নিৰ্ধাৰিত প্ৰকল্প তথা ইয়াৰ উৎপাদনক্ষম ঔদ্যোগীক কৰিড'ৰ নিৰ্মাণত গুৰুত্ব প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰত ঔদ্যোগীক বিকাশ যোজনা আৰু ঔদ্যোগীক উন্নয়নৰ প্ৰক্ৰিয়া পি এম গতি শক্তিৰ জৰিয়তে একত্ৰিত হোৱা উচিত আৰু সংহত উন্নয়নৰ লক্ষ্যৰে আগবাঢ়ি যোৱা উচিত বুলি মন্তব্য কৰে। তেওঁ বিদেশী পুঁজি আকৰ্ষণ কৰাত আৰু উদ্যোগীক বজাৰ শক্তিশালী কৰাত গুৰুত্ব আৰোপ কৰে। এই বৈঠকত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰ্চুৱেল ব্যৱস্থাৰে

অংশগ্ৰহণ কৰে। তেওঁ উদ্যোগীক কৰিড'ৰৰ জৰিয়তে সংহত ৰাষ্ট্ৰীয় জলপথ ব্যৱস্থাত গুৰুত্ব দিয়ে আৰু কৰিড'ৰসমূহৰ উন্নয়নৰ বাবে জলপথ ব্যৱস্থাৰ পৰীক্ষণৰ বাবে আহ্বান জনায়। তেওঁ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ঔদ্যোগীক আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে।

০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি নতুন দিল্লীত চেক পইণ্ট ছফটৱেৰৰ মুখ্য কাৰ্যবাহী বিষয়া নাডভ জাফ্ৰিৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী গোৱেলে কয়, যে এই বৈঠকত তেওঁলোকে ভাৰতত কম্পেনীটোৰ ব্যৱসায়িক বৃদ্ধিৰ লগতে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি ব্যৱস্থাৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে গৱেষণা আৰু উন্নয়নৰ সম্প্ৰসাৰণ আদি বিষয়সমূহকো আলোচনাত সামৰি লৈছে। তেওঁলোকে ভাৰতত প্ৰযুক্তি নিৰ্ভৰ বিকাশৰ ব্যৱস্থাক সমৰ্থন কৰা স্থিতিস্থাপক ডিজিটেল পৰিস্থিতি তন্ত্ৰৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে কৰা উদ্ভাৱন, ডিজিটেল আশ্বাস আৰু ছাইবাৰ নিৰাপত্তা বৃদ্ধিৰ বাবে সহযোগিতা স্থাপন আদি বিষয়সমূহকলৈও আলোচনা কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিপন লাইফ ইণ্ডিয়া এছেট মেনজমেণ্ট লিমিটেডৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া সন্দীপ ছিক্কাকো সাক্ষাৎ কৰে। তেওঁলোকে খুচুৰা বিনিয়োগ, সম্পদ ব্যৱস্থাপনা পৰিস্থিতি তন্ত্ৰ শক্তিশালী কৰা আৰু ভাৰতীয় বজাৰত বিদেশী পুঁজি আকৰ্ষণ কৰা আদি বিষয়ত আলোচনা কৰে।

০০০০

ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত ব্ৰীকছৰ কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত কাইলৈৰ পৰা গুজৰাটৰ গান্ধী নগৰত দুদিনীয়া ব্ৰীকছ্ যুৱ পৰিষদৰ বৈঠক আৰু ব্ৰীক যুৱ সন্মিলন অনুষ্ঠিত হ'ব। এই দুয়োখন বৈঠকে ব্ৰীকছ্ ৰাষ্ট্ৰসমূহৰ যুৱ নেতা, উদ্ভাৱক, উদ্যমী, স্বেচ্ছাসেৱক আৰু পৰিৱৰ্তনকাৰী যুৱ সমাজক একেলগ হোৱাৰ সুযোগ প্ৰদান কৰিব। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিষয়ভিত্তিক আলোচনা, মত বিনিময় সত্ৰ আৰু নেটৱৰ্ক বৃদ্ধিৰ সুবিধাৰে এই সন্মিলনে যুৱক-যুৱতীসকলক নিজৰ ভাব-আদৰ্শ, সমস্যাৰ সমাধান আদি লাভ কৰাৰ মঞ্চ দিব।

মন্ত্ৰালয়ে অহা ২২ আগষ্টত অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টনমত ব্ৰীকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ যুৱ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত কৰিব। এই বৈঠকত যুৱ মন্ত্ৰীসকলৰ লগতে ব্ৰীকছ্ সদস্য ৰাষ্ট্ৰৰ বিভিন্ন প্ৰতিনিধিৰ মুৰব্বীসকলে ব্ৰীকছ যুৱ পৰিষদৰ বৈঠক আৰু ব্ৰীকছ্ যুৱ সন্মিলনৰ ফলাফলসমূহ পৰ্যালোচনা কৰাৰ লগতে এই যুৱ সহযোগিতাৰ ক্ষেত্ৰত মন্ত্ৰীসকলৰ এটা যুটীয়া বিবৃতি প্ৰকাশ কৰিব।

০০০০

জ্যেষ্ঠ বিজেপি নেতা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় জনতা পাৰ্টীৰ নতুন সমিতিৰ দায়িত্ব লাভ কৰা বিষয়ববীয়াসকলক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে শ্ৰীমোদীয়ে  নতুন বিষয়ববীয়াসকলে দলক শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লব বুলি আশা প্ৰকাশ কৰে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে ঘোষণা কৰা দলৰ নতুন ৰাষ্ট্ৰীয় বিষয়ববীয়া সমিতি অনুসৰি নতুন ৰাষ্ট্ৰীয় সমিতিখনত ৰাষ্ট্ৰীয় উপ-সভাপতি হিচাপে বসুন্ধৰা ৰাজে সিন্ধিয়া, তীৰথ সিং ৰাৱাট, ৰাম মাধৱ, বৈজয়ন্ত জয়পাণ্ডা, ডি পূৰ্ণেন্দেশ্বৰী, ৰেখা বাৰ্মা, বৰ্ষাবেন নৰেন্দ্ৰভাই যোশী আদি কেইবাজনকো দায়িত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় সাংগাঠনিক সাধাৰণ সম্পাদক হিচাপে বি এল সন্তোষ আৰু ৰাষ্ট্ৰীয় সহ-সাংগঠনিক সাধাৰণ সম্পাদক হিচাপে শিৱ প্ৰকাশ আৰু সৌদান সিঙক দায়িত্ব দিয়া হৈছে। ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক হিচাপে বিনোদ টাৱৰে, স্মৃতি ইৰাণী আদি

কেইবাজনো জ্যেষ্ঠ নেতাক অধিষ্ঠিত কৰাৰ লগতে ৰাষ্ট্ৰীয় সম্পাদক হিচাপে কবিতা পাটিদাৰ, কে সুৰেন্দন আদিক বাছনি কৰা হৈছে। একেদৰে সমিতিখনৰ কেইবাটাও দায়িত্বশীল পদত বিজেপিৰ কেইবাগৰাকীও আগশাৰীৰ নেতা তথা কৰ্মীক দায়িত্ব অৰ্পণ কৰা হৈছে। ইপিনে, অসমৰ মৃগাংক দেৱ বৰ্মনক বিজেপিৰ ৰাষ্ট্ৰীয় সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব দিয়া হৈছে।

০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত গালে আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত কালি তৃতীয় দিনা শ্ৰীলংকাই প্ৰথম ইনিংছত আটাইকেইটা উইকেটৰ বিনিময়ত ২৮৪ ৰান সংগ্ৰহ কৰে। প্ৰথম ইনিংছত ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে ১৭৭ ৰাণ অগ্ৰগতি লাভ কৰিছে। ইয়াৰ পূৰ্বে ভাৰতে কালি আটাইকেইটা উইকেট হেৰুৱাই ৪৬২ ৰান কৰি নিজৰ প্ৰথম ইনিংছ সামৰে। দেৱদত্ত পাডিক্কলে ১৬৭ ৰান কৰাৰ বিপৰীতে কে এল ৰাহুলে ৮২ আৰু ধ্ৰুৱ জুৰেলে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৪৬০ ৰানৰ পৰা আজি তৃতীয় দিনাৰ খেল আৰম্ভ কৰে যদিও অন্তিমটো উইকেটৰ বিনিময়ত অতিৰিক্ত ২ ৰানহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ প্ৰবাথ জয়ছুৰীয়াই ৪টা উইকেট দখল কৰাৰ লগতে কেশাৰা নুৱান্থাই তিনিটা আৰু আশ্বিতা ফাৰ্ণণ্ড'ৱে দুটা উইকেট লাভ কৰে। আজি চতুৰ্থ দিনাৰ খেল ভাৰতীয় সময় অনুসৰি পুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব।

শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেল ২৩ আগষ্টত কলম্বোত অনুষ্ঠিত হ'ব।

০০০০

১৩৫ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত কালি নৰ্থ-ইষ্ট ইউনাইটেড এফ চিয়ে খেলৰ দ্বিতীয়াৰ্ধত উল্লেখযোগ্য প্ৰত্যাৱৰ্তনেৰে ছিলং লাজঙক ৫-২ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। খেলৰ আধা সময়লৈ নৰ্থ-ইষ্ট ইউনাইটেড ১-২ গ'লত পিছ পৰি আছিল যদিও দ্বিতীয়াৰ্ধত শক্তিশালী প্ৰত্যাৱৰ্তন ঘটাই চাৰিটা গ'ল দি জয় নিশ্চিত কৰে। আলাইদ্দিন আজাৰে খেলখনৰ তাৰকা খেলুৱৈ হিচাপে পৰিগণতি হয় আৰু এই জয়ৰ সুবাদেৰে নৰ্থ-ইষ্ট ইউনাইটেড এফ চি একেৰাহে চতুৰ্থবাৰলৈ এই প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰে। নৰ্থ-ইষ্ট ইউনাইটেডে পৰহিলৈ হ'বলগীয়া দ্বিতীয়খন ছেমিফাইনেলত মোহনবাগান ছুপাৰ জায়েণ্টৰ মুখামুখী হ'ব।

০০০০

জাপানৰ আইচি নাগয়াত অহা মাহৰ ১৯ তাৰিখৰ পৰা আৰম্ভ হ'বলগীয়া ২০ সংখ্যক এছিয়ান গেমছত ছেপাকতাক্ৰোত ভাৰতক প্ৰতিনিধিত্ব কৰিবলৈ নাগালেণ্ডৰ চাৰিগৰাকী মহিলা খেলুৱৈক নিৰ্বাচিত কৰা হৈছে। নিৰ্বাচিত খেলুৱৈ মেনেনু ছুক্ৰু আৰু ছেখ্ৰিয়েনো টেপা, পুলেন নেইখা আৰু পুংগতলু কুৰুৱে ভাৰতীয় মহিলা দলৰ প্ৰশিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিব। এই বাছনিয়ে ২০১০ চনৰ পিছত একেৰাহে পঞ্চমবাৰৰ বাবে এছিয়ান গেমছত নাগালেণ্ডৰ পৰা অহা ছেপাকতাক্ৰো খেলুৱৈ আৰু প্ৰশিক্ষকে ভাৰতক কৰা প্ৰতিনিধিত্বই ৰাজ্যখনৰ বাবে বিশেষ তাৎপৰ্য বহন কৰিছে। নাগালেণ্ড ছেপাকতাক্ৰো এচ'ছিয়েছনে চাৰিওগৰাকী প্ৰতিনিধিকে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ